# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত কালিৰে পৰা খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। ৬ জানুৱাৰীলৈকে হ'বলগীয়া গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত ৰাজ্য চৰকাৰে ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে পালন কৰি গ্ৰন্থ অধ্যয়নক জনপ্ৰিয় কৰাৰ বাবে কেইবাটাও কাৰ্যসূচী হাতত লোৱাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে **যুৱ লেখক সন্মান ২০২৫** লাভ কৰা ৰাজ্যৰ ৪০ বছৰ অনুৰ্দ্ধ ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক সম্বৰ্ধনা জনায়। সৃষ্টিশীল সাহিত্য চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে নতুন লেখক লেখিকাসকলক এই সন্মান প্ৰাপ্তিৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকে। গ্ৰন্থমেলাৰ প্ৰাংগণতে জন্ম শতবৰ্ষত ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ড° ভূপেন হাজৰিকাৰ গীতত সমকালীনতা বিষয়ত আয়োজিত অনুষ্ঠানটো বিশিষ্ট লেখক সুমন্ত চলিহাই সঞ্চালনা কৰে।

ইপিনে বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ ড° দীপক কুমাৰ বৰকাকতিলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে।

oooooo

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ মাজুলীৰ অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা **শ্ৰোতা প্ৰেৰণা বঁটা ২০২৫** আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰক প্ৰদান কৰা হ'ব। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে শ্ৰীবৰঠাকুৰলৈ এই বঁটা আগবঢ়োৱা হৈছে। ২০১০ চনৰ ২৫ ডিচেম্বৰত জিলাখনৰ মুদৈবিলত প্ৰতিষ্ঠা লাভ কৰা এই সংঘই মূলতঃ ৰেডিঅ' প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। সংঘই ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ৰেডিঅ'ৰ সৈতে জড়িত একোগৰাকী ব্যক্তিক শ্ৰোতা প্ৰেৰণা বঁটা আৰু এগৰাকী শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা প্ৰদান কৰে। এই বছৰৰ বাবে অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা দুগৰাকী শ্ৰোতা ধেমাজিৰ চিচি কেৰেকনি মাজগাঁৱৰ মহেশ্বৰ চুতিয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নম্বৰ তেজী গাঁৱৰ দীপক মৰাণলৈ আগবঢ়োৱা হৈছে। আজি মাজুলীৰ শ্ৰীশ্ৰী এলেংগি টকৌবাৰী সত্ৰত হ'বলগীয়া অনাতাঁৰ মৰম পৰিয়ালৰ ষোড়শ প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰা হ'ব। বঁটাত এটাকৈ ৰেডিঅ' ছেট, স্মাৰক, জাপি, সম্বৰ্দ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি প্ৰদান কৰা হ'ব।

oooooo

গুৱাহাটী প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ উদ্যোগত কালি যোৰহাট প্ৰেছ ক্লাবত দেশৰ ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ৰ ডেৰশ বছৰ পূৰণ হোৱা উপলক্ষে এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। পি আই বি গুৱাহাটীৰ যুটীয়া সঞ্চালক পাৰনী গুপ্তাই এই অনুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যা কৰে।

**বাইট (পাৰনী গুপ্তা)**

এই কাৰ্যসূচীত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশ লৈ ২০৪৭ চনৰ বিকশিত ভাৰতৰ প্ৰেক্ষাপটত বন্দে মাতৰমৰ প্ৰাসংগিকতাৰ ওপৰত আলোকপাত কৰে। তেওঁ কয়, যে বংকিম চন্দ্ৰ চেটাৰ্জীয়ে ৰচনা এই গীতটো কেৱল সাহিত্যিক কৃতিত্ব নহয়, বৰং দেশৰ জাতীয় চেতনা আৰু একতাৰ শক্তিশালী প্ৰতীক। অনুষ্ঠানত যোৰহাট মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক সৌমিত্ৰ পূজাৰী আৰু গুৱাহাটী দূৰদৰ্শনৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী অংকুৰ লাহটিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

আজি পবিত্ৰ বৰদিন। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো খ্ৰীষ্টধৰ্মী লোকসকলে নিশাৰে পৰা পবিত্ৰ বৰদিন উপলক্ষে  সমূহীয়া প্ৰাৰ্থনা কৰা হৈছে। বিভিন্ন প্ৰান্তৰ গীৰ্জাসমূহ ইয়াৰ বাবে সজাই-পৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীৰ পাণবজাৰৰ ব্যাপ্তিষ্ট চাৰ্চ, পাণবজাৰৰ ডনবস্ক', খ্ৰীষ্টানবস্তি, সোণাইঘূলিকে ধৰি বিভিন্ন স্থানৰ গীৰ্জাসমূহ কেৰলৰ ধ্বনিৰে মুখৰ হৈ উঠিছে। প্ৰভূ যীশুৰ প্ৰাৰ্থনাৰ বাবে কালি সন্ধিয়াৰে পৰা গীৰ্জাসমূহত অগণন লোক সমবেত হৈছে। আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে গীৰ্জাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলৰ বাসগৃহসমূহো সজাই তোলা হৈছে।

০০০০০০

প্ৰয়াত প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ জন্ম দিনৰ সৈতে সংগতি ৰাখি কালি বিজেপিৰ প্ৰতিটো জিলা কাৰ্যালয়ত বন্তি প্ৰজ্বলনেৰে নেতাগৰাকীলৈ শ্ৰদ্ধা তৰ্পণ কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী তথা সাংসদ সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলা বিজেপিৰ কাৰ্যালয়ত দীপোৎসৱ পালন কৰি নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক টেৰচ গোৱালা, পৌৰ নিগম আৰু পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ লগতে দলীয় কৰ্ম-কৰ্তাসকল উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**